অম্বিকাগিৰী নগৰ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উদ্‌যাপন সমিতিৰ

স্মৃতিগ্ৰন্থ

# ধৰিত্ৰী

১৯৩৪ শকাব্দ, ২০১২ চন



সম্পাদক ঃ পঙ্কজ ফুকন

# সম্পাদকীয়---

পোন প্ৰথমে সৃষ্টি, স্থিতি আৰু বিনাশৰ উৎস শ্ৰীশ্ৰীদুৰ্গাদেৱীক প্ৰণিপাত জনাই, অম্বিকাগিৰী অঞ্চলৰ সমূহ ৰাইজলৈ শাৰদীয় সম্ভাষণ জনালোঁ। শাৰদীয় দুৰ্গা পূজা আমাৰ জীৱনৰ এক ধৰ্মীয় উৎসৱ। এই ধৰ্মীয় উৎসৱ হওঁক শান্তিৰ প্ৰতীক যিহেতু ধৰ্মই মানুহক সংযমী, সাহসী, সৎ, মানৱদৰদী কৰে, আত্মসংশোধন ঘটায়, পশু প্ৰবৃত্তি নাইকীয়া কৰে। আজিৰ যুগত দিনে দিনে গঢ়িছে ধৰ্মৰ আড়ম্বৰ আৰু বৃদ্ধি পাইছে ধৰ্মোৎসৱত নিয়োজিত মানুহৰ সংখ্যা, বাঢ়িছে মন্দিৰ, নামঘৰ, মছজিদ আদি। মুঠতে ধৰ্মোন্মাদনাৰ প্ৰতিযোগিতা চলিছে। কিন্তু প্ৰকৃততে ধাৰ্মিক লোকৰ সংখ্যা দিনক দিনে কমি আহিছে যেন অনুমান হয়।

তথাপিও শাৰদীয় দুৰ্গা পূজা ঋতু-সময় উপযোগী ভাৰতৰ এক ধৰ্মীয় উৎসৱ, যি অনৈক্যৰ মাজত ঐক্যৰ এক সমন্বয়ৰ দৃষ্টান্ত। সেয়েহে মহিষাসুৰ ৰূপী সমাজৰ অসুৰবোৰক পৰাস্ত কৰি প্ৰকৃত মানব শক্তিক প্ৰাধান্য দি এই দুৰ্গোৎসৱ উদ্‌যাপন কৰিলেহে সমাজে শ্ৰীশ্ৰীদুৰ্গাদেৱীৰ পৰা আশীষ পাব।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

অন্যান্য অঞ্চলৰ দৰে যি সকল ব্যক্তিৰ ত্যাগৰ বিনিময়ত অম্বিকাগিৰী নগৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ প্ৰতিস্থাৰে আৰু সেই মন্দিৰ প্ৰাঙ্গণতে যি সকল ব্যক্তিৰ অনুপ্ৰেৰণা ও উৎসাহত ২০১০ চনৰ পৰা আজি তৃতীয় বৰ্ষত শ্ৰীশ্ৰীদুৰ্গা পূজা আয়োজন কৰা হৈছে, সেই সকলো সদাশয় ব্যক্তিলৈকে এই সুযোগতে মোৰ হিয়াভৰা কৃতজ্ঞতা ও ধন্যবাদৰ শৰাই যাচিলোঁ।

তৃতীয় বৰ্ষৰ অম্বিকাগিৰী নগৰ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজাৰ লগত সংগতি ৰাখি আন আন বছৰৰ দৰে স্মৃতিগ্ৰন্থ "ধৰিত্ৰী" প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱাৰ লগতে যি সকল ব্যক্তিয়ে আমাক সম্পাদনা কৰি সেৱা আগবঢ়োৱাৰ সুযোগ দিলে সেই সকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

স্মৃতিগ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত সকলোদিশতে সহায়-সহযোগিতা তথা পৰামৰ্শ আগবঢ়াই অহা স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ উপদেষ্টা ড° অখিল চন্দ্ৰ শৰ্মাদেৱ, সভাপতি শ্ৰীগঙ্গাপদ চৌধুৰীদেৱ, উপ সভাপতি শ্ৰীমনোৰঞ্জন শৰ্মাদেৱ ও সদস্যবৃন্দ ক্ৰমে শ্ৰীহোমেশ্বৰ শৰ্মা, শ্ৰীবিপিন চন্দ্ৰ ৰাভা, শ্ৰীমতী গণলতা মজুমদাৰ, শ্ৰীমতী মিনু পাটগিৰী আৰু শ্ৰীমৃনাল জ্যোতি ডেকাক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে অম্বিকাগিৰী নগৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ পৰিচালনা সমিতি ও শ্ৰীশ্ৰীদুৰ্গাপূজা উদ্‌যাপন সমিতিৰ সকলো সদস্যই আমাৰ ওপৰত আস্থা ৰাখি যি আন্তৰিক সহায় সহযোগ আৰু প্ৰয়োজনীয় দিশত দিহা পৰামৰ্শ দি সততে অনুপ্ৰাণিত কৰিলে তাৰ বাবে তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ।

যি সকল সদাশয় ব্যক্তিয়ে ধৰিত্ৰীলৈ তেখেত সকলৰ লিখনি আগবঢ়াই স্মৃতিগ্ৰন্থখনৰ সৌষ্ঠৱ বঢ়োৱাত সহায় আগবঢ়ালে তেখেতসকললৈ মোৰ আন্তৰিক সেৱা ও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

যিসকল বিজ্ঞাপন দাতাই স্মৃতিগ্ৰন্থ "ধৰিত্ৰী"ত বিজ্ঞাপন প্ৰদান কৰি তেখেত সকলৰ প্ৰতিষ্ঠানৰ বহুল প্ৰচাৰৰ লগতে সহায়ৰ হাত আগবঢ়ালে সেই সকললৈ এই ছেগতে মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

অশেষ পৰিশ্ৰম কৰি কমসময়ৰ ভিতৰতে স্মৃতি গ্ৰন্থখনি এছ এছ গ্ৰাফিক্‌ছৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তাৰ দ্বাৰা সময়মতে ছপাকৰি ৰাইজৰ মাজলৈ উলিয়াই দিয়াৰ বাবে তেখেত সকললৈ মোৰ কৃতজ্ঞতা থাকিল।

শেষত অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ মাৰ্জনা বিচাৰি "ধৰিত্ৰী"ৰ দীৰ্ঘায়ু কামনা কৰি শ্ৰীশ্ৰী মা দুৰ্গা দেৱীৰ আশিষ বিচাৰিলোঁ।

***পঙ্কজ ফুকন***

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

# নৱ গ্ৰহভ্যো নমঃ

পঙ্কজ ফুকন

চন্দ্ৰ আৰু সূৰ্য্যৰ পৰাই এই পৃথিৱীত দিন ৰাতি, আন্ধাৰ পোহৰ, বাৰিষা-খৰালি, জাৰ-জহ, ৰ'দ-বৰষুন আদি পৰিবৰ্তন হোৱা সকলোৰে জনা কথা। এই পৰিবৰ্তনে মানৱ জাতিৰ লগতে প্ৰাণী বিলাকৰো যে সুখ-দুখ আদিৰ অনেক পৰিবৰ্তন কৰিছে তাক বুজা যায়। দেখি থকা পৰিবৰ্তনবোৰৰ কাৰণ যেনেকৈ চন্দ্ৰ-সূৰ্য্য সেইদৰে নেদেখা জীৱনৰো ভৱিষ্যৎ ঘটনাৱলীৰ কাৰণ বা সাক্ষীও সেই চন্দ্ৰ-সূৰ্য্য ও অনুগামী গ্ৰহ নক্ষত্ৰ সমূহ বুলি লোক বিশ্বাস আছে।

মানুহৰ জীৱনত কথিত আছে যে কৰ্মই ধৰ্ম। সেয়েহে সকলোৰে নিষ্ঠাৰে জীৱনত সময় উপযোগী কৰ্ম কৰিলে জীৱনৰ সকলো দিশৰ উন্নতি অনিবাৰ্য্য। তথাপিও দেখা যায় যে একে নিষ্ঠা, একাগ্ৰতা আৰু জ্ঞানৰে পৃথকে তাতোধিক ব্যক্তিয়ে কৰ্ম সম্পাদন কৰি সকলোৱে একে সুফল পোৱা দেখা নাযায়। লোকবিশ্বাস আছে যে ইয়াৰ কাৰণ হ'ল নৱগ্ৰহৰ প্ৰভাৱ। নৱগ্ৰহ বুলিলে জ্যোতিঃশাস্ত্ৰৰ লগত জড়িত পণ্ডিত সকলৰ মতে ৰবি, অৰ্ধক্ষীণ চন্দ্ৰ, মঙ্গল, শনি, ৰাহু আৰু কেতু পাপ গ্ৰহ। পাপ গ্ৰহৰ লগত থাকিলে বুধ গ্ৰহয়ো পাপ গ্ৰহ। চন্দ্ৰ, বুধ, বৃহস্পতি আৰু শুক্ৰ শুভ গ্ৰহ। তেখেত সকলৰ ইয়ো এক ধাৰণা যে পাপ গ্ৰহৰ কু প্ৰভাৱ আৰু শুক্ৰ গ্ৰহৰ দুৰ্বল অৱস্থানে মানুহৰ কৰ্মৰ ফলাফল নিৰূপন কৰে।

কথিত আছে যে পাপ গ্ৰহৰ কুপ্ৰভাৱ বা শুভ গ্ৰহ দুৰ্বল স্থিতিৰ পৰা কিছু উপশম পাবলৈ অসমৰ বা বিশেষকৈ গুৱাহাটীবাসীৰ নৱগ্ৰহ পাহাৰত অৱস্থিত মন্দিৰলৈ পূজা অৰ্চনা কৰিবলৈ যোৱাতো এটি পৰম্পৰা। অৱশ্যে সময়ৰ অভাৱত ব্যক্তিসকলে ৰাতিপুৱা গা ধোৱাৰ পিছত তলত উল্লেখিত নৱগ্ৰহৰ স্তোত্ৰ পাঠ কৰিও কিছু উপশম পাব পাৰে--

"ওঁ জবাকুসুম সঙ্কাশং কাশ্যপেয়ং মহাদ্যুতিম্ ধ্বান্তাৰিং সৰ্ব্ব-পাপঘ্নং প্ৰণতোহস্মি দিবাকৰম্।। ওঁ দিবাশঙ্খ তুষাৰাভং ক্ষীৰোদাৰ্ণবসম্ভৱম্। নমামি শশিনং ভক্ত্যা শম্ভোমুকুটভূষণম্।। ওঁ ধৰণী গৰ্ভসম্ভূতং বিদ্যুৎপুঞ্জসমপ্ৰভম্। কৌমাৰং শক্তিহস্তঞ্চ লোহিতাঙ্গং নমাম্যহম্।। ওঁ প্ৰিয়ঙ্গু কলিকাশ্যামং ৰূপেণাপ্ৰতিমং বুধম্। সৌম্যং সৰ্ব্বগুণোপেতং নমানি শশিনঃ সুতম্।। ওঁ দেবতানামৃষীনাঞ্চ গুৰুং কনক সন্নিভম্। বন্দে ভদ্যো ত্ৰিলোকেশং তং নমানি বৃহস্পতিম্।। ওঁ হিমকুণ্ডমৃণালাভং-দৈত্যানাং পৰমং গুৰুম্। কাব্যশাস্ত্ৰ প্ৰবক্তাৰং ভাৰ্গবং-প্ৰণম্যামহম্।। ওঁ নীলাঞ্জন চয়প্ৰক্ষ্যং ৰবিসূনং মহাগ্ৰহম্। ছাঁয়ায়া গৰ্ভ সম্ভুতং বন্দে ভক্ত্যা শনৈশ্চৰম্।। ওঁ অৰ্দ্ধকায়ং মহাঘোৰং চন্দ্ৰাদিত্যবিমৰ্দ্দকম্। সিংহিকায়াঃ সূতং ৰৌদ্ৰং তাং ৰাহু প্ৰণাম্যমহম্। ওঁ পলাল ধূম্ৰসঙ্কাশং তাৰাগ্ৰহ বিমৰ্দ্দকম্। ৰুদ্ৰং ৰৌদ্ৰাত্মকং ক্ৰুৰং তং কেতুং প্ৰণাম্যমহম্।। ব্যাসেনোক্ত মিদং স্তোত্ৰং যঃ পঠেৎ প্ৰযতঃ শুচিঃ। দিবা বা যদি বা ৰাত্ৰৌ শান্তিস্তস্য নসংশয়ঃ।। ঐশ্চৰ্য্যং অতুলঞ্চাপি আৰোগ্যং পুষ্টিবৰ্দ্ধনম্। নৰনাৰী প্ৰিয়ত্বঞ্চ নিত্যং তস্যে-পজায়তে।। তক্ষৰোগ্নি যমোৰাজা যেচান্যে পীড়কাগ্ৰহাঃ। তে সৰ্ব্বে প্ৰশমংযান্তি ব্যাসো ব্ৰয়ান্নসংশয়ঃ।।

ইতি ব্যাসভাষিতং নৱগ্ৰহস্তোত্ৰং।"

বিঃ দ্ৰঃ- নৱগ্ৰহ স্তোত্ৰ "ব্ৰাহ্মণ ক্ৰিয়াসাৰ" পুথিৰ ৬৫ পৃষ্ঠাৰ পৰা সংগৃহীত।■

*With best compliments from :* **Ph. : 98645-02065**

**PARAMESWAR DEKA**

*A Govt. Registered Contractor, Office Order Suppliers & Computer Service Provider*

**R.G.Baruah Road, A.I.D.C., P.O.: Zoo Road Tiniali, Guwahati-24**